Research Journal, Vol.: XI
Issue: XXIV :: July, 2024

ISSN : 2347-7180

গৱেষণা পত্ৰিকা, একাদশ বছৰ
চতুৰ্বিংশ সংখ্যা, জুলাই, ২০২৪

(A Bilingual Research Journal earlier indexed in UGC-CARE List)

# DOGO RANGSANG
# দগো ৰাংছাং

CHIEF EDITOR (HON.) : Dr. Upen Rabha Hakacham
EDITORS (HON.) : Dr. Lalit Chandra Rabha
: Dr. Angshuman Das

মুখ্য সম্পাদক (অবৈতনিক) : ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) : ড° ললিত চন্দ্ৰ ৰাভা
: ড° অংশুমান দাস

(১) চলচ্চিত্ৰৰ ৰসাস্বাদন ঃ অনুবাদ প্ৰসংগ
উপশীৰ্ষকীকৰণ (Subtitling)— কৌশল, প্ৰত্যাহ্বান আৰু
● ড° গোবিন্দ প্ৰসাদ ভূঞা ● অচ্যুৎ দত্ত/১৩
(২) আহোম জনগোষ্ঠীৰ বাঁহ সংস্কৃতি ঃ এক আলোকপাত
● ড° ৰেণু বৰা/২১
(৩) উনবিংশ শতিকাত প্ৰকাশিত পঢ়াশলীয়া পাঠ্যপুথিৰ পৃষ্ঠভূমি
● কৰবী দত্ত ● ড° স্বাতী কিৰণ/২৯
(৪) হোমেন বৰগোহাঞিৰ উপন্যাস 'সাউদৰ পুতেকে নাও মেলি
আলোচনা
● ড° কল্পনা বৈশ্য/৩৮
(৫) গগন চন্দ্ৰ অধিকাৰীৰ শিশু কবিতা ঃ এক ভাষিক বিশ্লেষণ
● ড° দীপ্তি ফুকন পাটগিৰি ● নীলাক্ষি দাস/৫১
(৬) মেচ কছাৰীসকলৰ লোক পৰিৱেশ্যকলা ঃ লোকনৃত্যৰ এক
● গায়ত্ৰী খাৰঘৰীয়া/৬০

গোৱালপৰীয়া দেশী মুছলমানৰ কথিত ভাষাত লোকভা
● গুল ৰৌশন আৰা বেগম/৮৩
(৯) জীৱনীমূলক উপন্যাস হিচাপে লক্ষ্মীনন্দন বৰাৰ 'সেহি
● ড° ভাস্কৰজিৎ বৰা/১০৩
(10) An Assamese Skill Test for Class I students:
Standardisation
● Rini Sonowal ● Dr. Pranjal Buragoha
(11) A Study on Marketing Facility in Agricultura
District of Assam
● Ramen Ch. Nath ● Dr. Abhijit Bhuya
(12) Words like Family: The Social Fabric of Tai
● Rita Saha/126
(13) Blending Languages in a Multilingual Marke
Mixing shape the Language Landscape of As
Advertisements

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Earlier Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. XI, Issue XXIV, July, 2024

# সূচীপত্ৰ

# CONTENT

## অসমীয়া বিভাগ ঃ

(১) চলচ্চিত্ৰৰ ৰসাস্বাদন ঃ অনুবাদ প্ৰসংগ
উপশীৰ্ষকীকৰণত্ন(Subtitling)— কৌশল, প্ৰত্যাহ্বান আৰু প্ৰাপ্তি
● **ড° গোৱিন্দ প্ৰসাদ ভূঞা ● অচ্যুৎ দত্ত/১৩**

(২) আহোম জনগোষ্ঠীৰ বাঁহ সংস্কৃতি ঃ এক আলোকপাত
● **ড° ৰেণু বৰা/২১**

(৩) ঊনবিংশ শতিকাত প্ৰকাশিত পঢ়াশলীয়া পাঠ্যপুথিৰ পৃষ্ঠভূমি আৰু শিক্ষানুস্থানৰ অগ্ৰগতি
● **কৰবী দত্ত ● ড° স্বাতী কিৰণ/২৯**

(৪) হোমেন বৰগোহাঞিৰ উপন্যাস 'সাউদৰ পুতেকে নাও মেলি যায়' (দ্বিতীয় অধ্যায়) ঃ এটি আলোচনা
● **ড° কল্পনা বৈশ্য/৩৮**

(৫) গগন চন্দ্ৰ অধিকাৰীৰ শিশু কবিতা ঃ এক ভাষিক বিশ্লেষণ
● **ড° দীপ্তি ফুকন পাটগিৰি ● নীলাক্ষি দাস/৫১**

(৬) মেচ কছাৰীসকলৰ লোক পৰিৱেশ্যকলা ঃ লোকনৃত্যৰ এক সামগ্ৰিক আলোচনা
● **গায়ত্ৰী খাৰঘৰীয়া/৬০**

(৭) মিচিং ভাষাৰ ধ্বনিতত্ত্বঃ এটি বিশ্লেষণাত্মক আলোচনা
● **ডিম্বেশ্বৰ দলে/৭০**

(৮) গোৱালপৰীয়া দেশী মুছলমানৰ কথিত ভাষাত লোকভাষাৰ প্ৰয়োগ
● **গুল ৰৌশন আৰা বেগম/৮৩**

(৯) জীৱনীমূলক উপন্যাস হিচাপে লক্ষ্মীনন্দন বৰাৰ 'সেহি সব্যসাচী' ঃ এক আলোচনা
● **ড° ভাস্কৰজিৎ বৰা/১০৩**

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Earlier Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. XI, Issue XXIV, July, 2024

# মেচ কছাৰীসকলৰ লোক পৰিৱেশ্যকলা ঃ লোকনৃত্যৰ এক সামগ্ৰিক আলোচনা

● গায়ত্ৰী খাৰঘৰীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।
E-mail: gayatrikharghoriadu@gmail.com, ফোন ঃ ৭৫৭৬৯২৯৭০০

**সংক্ষিপ্তসাৰ ঃ** *মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত অসমৰ প্ৰাচীন জনগোষ্ঠীৰ এক জনগোট হৈছে মেচ কছাৰীসকল। তেওঁলোকৰ বসতিস্থান ভাৰতৰ লগতে নেপাল, ভূটান আৰু বাংলাদেশতো বিস্তৃত হৈ আছে। ভাৰতৰ হিমালয়ৰ পাদদেশ, পশ্চিমবঙ্গ, মেঘালয় আৰু অসমত মেচসকলৰ অৱস্থিতি দেখা যায়। অসমৰ বিভিন্ন জিলাৰ ভিতৰত মূলতঃ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, শোণিতপুৰ, নগাঁও, ধেমাজি, লখিমপুৰ আৰু গোৱালপাৰা জিলাত মেচসকলে অতীজৰেপৰা বসবাস কৰি আহিছে। চিডনী এণ্ডেলে তেওঁৰ ১৯১১ চনত প্ৰকাশ কৰা The Kachari নামৰ গ্ৰন্থত মেচসকলৰ জনসংখ্যা ৯৩,৯০০ জন বুলি উল্লেখ কৰিছিল। বৰ্তমান এই সংখ্যা বাঢ়িছে যদিও জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশ তথা প্ৰসাৰতাৰ বাবে এয়াই যথেষ্ট নহয়। উল্লেখযোগ্য যে, সামাজিক-সাংস্কৃতিক দিশত মেচসকলৰ স্বকীয় বৈশিষ্ট্য লক্ষ্য কৰা যায়। লোকাচাৰ-লোকবিশ্বাস, উৎসৱ-অনুষ্ঠান, ভৌতিক সংস্কৃতিৰ লগতে লোক পৰিৱেশ্য কলাৰ ক্ষেত্ৰতো স্বকীয়তা দেখা পোৱা যায়। লোক পৰিৱেশ্যকলাৰ এটা শাখা হ'ল লোকনৃত্য। মেচসকলৰ মাজত লোকনৃত্যৰ পয়োভৰ লক্ষ্য কৰা যায়। লগতে এই লোকনৃত্যসমূহত গীত আৰু অভিনয়ৰ পয়োভৰ দেখা পোৱা যায়। এই আলোচনাত মেচ কছাৰীসকলৰ মাজত প্ৰচলিত লোকনৃত্যসমূহৰ সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনা কৰিবলৈ যাওঁতে মূলতঃ বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।*

**বীজ শব্দ ঃ** *লোক পৰিৱেশ্যকলা, লোকনৃত্য, মেচ কছাৰী, গীত।*

**০.০ অৱতৰণিকা ঃ**

লোকজীৱনৰ অন্যতম অংগ হৈছে লোক পৰিৱেশ্য কলা। যিসমূহ কলা পৰিৱেশন কৰি দেখুৱাব পাৰি সেয়ে পৰিৱেশ্য কলা। লগতে যিসমূহ কলা পৰিৱেশন কৰিলে সমাজৰ প্ৰত্যেকজন মানুহে আনন্দ লাভ কৰিব পাৰে সেয়ে পৰিৱেশ্য কলা। সাধাৰণতে গীত-নৃত্য- নাট্য পৰিৱেশ্য কলাৰ অন্তৰ্গত। গীতৰ বিষয়বস্তু চাক্ষুষ ৰূপায়নেই নৃত্য, নৃত্যৰ পৰিশীলিত ৰূপৰ নামেই নৃত্য আৰু নৃত্যৰপৰা নাটৰ বা নাটকৰ জন্ম।[১] গীত-নৃত্য-নাটকৰ সৈতে বাদ্যযন্ত্ৰৰ সম্পৰ্ক অতিকে গভীৰ। সেইকাৰণেই এইসমূহৰ সৈতে বাদ্য সম্পৃক্ত হৈ থাকে। বহু সময়ত সেয়ে পৰিৱেশ্য কলাৰ আওতাত গীত-নৃত্য-বাদ্য- অভিনয় এই চাৰি ধৰণৰ কলাৰ আলোচনা কৰা হয়।

আৰ. এম. ডৰচনৰ মতে কোনো এটা সাধু কোৱা, অথবা লোকগীত গোৱাকে পৰিৱেশন কৰা বোলে, কিন্তু এনেধৰণৰ পৰিৱেশন পদ্ধতি এজন বা কেইবাজনো লোকে লোক বাদ্য যন্ত্ৰ, নৃত্যৰ পোছাক পৰিচ্ছদ আৰু দৃশ্যৰ বিৱৰণীসহ কৰা পদ্ধতিৰ তুলনাত আকস্মিক ধৰণৰ।[২] এই মতৰ আধাৰত ক'ব পাৰি যে— যিকোনো সময়ত, যিকোনো